# ECHO OF HIS CALL

## যীচু খ্ৰীষ্টৰ আহ্বানৰ প্ৰতিধ্বনি ASSAMESE

*India's National Spiritual Newspaper*

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAANS

**Editor : S. SAM SELVA RAJ** | **16 Languages** | **Associate Editor : Sis. Bornali Thapa Raj**

VOL.XX YEAR OF OUR LORD JESUS CHRIST, 2019 MAY No: 2


## Holy Bible

*PROVERBS 14:1-10*

**পবিত্ৰ বাইবেল**

**এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক!**

**প্ৰভূৰ প্ৰশংসা হওঁক!**

**হিতোপদেশ ১৪ঃ১-১০**

১। প্ৰত্যেক জ্ঞানৱতী তিৰোতাই নিজৰ ঘৰ সাজে। কিন্তু অজ্ঞানীয় নিজ হাতে তাক ভাঙি পেলায়

২। যি মানুহে নিজৰ সৰল পথত চলে, তেওঁ যিহোৱাক ভয় কৰে, কিন্তু বেকা পথত চলাজনে তেওঁক হেয়জ্ঞান কৰে।

৩। অজ্ঞানৰ মুখত অহংকাৰৰ দণ্ড থাকে, কিন্তু জ্ঞানীবিলাকৰ ওঠে তেওঁবিলাকক ৰক্ষা কৰে।

৪। গৰু নহ'লে দানা পাত্ৰ নিকা হৈ থাকে, কিন্তু গৰুৰ বলত অনেক শ্য উৎপন্ন হয়।

৫। বিশ্বাসী সাক্ষীয়ে মিছা কথা নকয়, কিন্তু মিছা সাক্ষীয়ে মিছা কথাকেহে উলিয়ায়।

৬। নিন্দকে প্ৰজ্ঞা বিচাৰিলে তাক নাপায়; কিন্তু বুদ্ধিমানৰ পক্ষে জ্ঞান সুলভ হয়।

৭। যি স্থলত তুমি অজ্ঞানৰ জ্ঞানযুক্ত ওঁঠ নাই বুলি জানিছা, এনে স্থলত তাৰ আগৰ পৰা গুচি যোৱা।

৮। যি পথ বুজাই বুদ্ধিমানৰ প্ৰজ্ঞা, কিন্তু অজ্ঞানবোৰৰ অজ্ঞানতাই ছল মাথোন।

৯। দোষাৰ্থক বলিয়ে অজ্ঞানবোৰক বঞ্চিত কৰে, কিন্তু সৰলবিলাকৰ মাজত অনুগ্ৰহ আছে।

১০। মনে নিজৰ বেজাৰ নিজে বুজে, কিন্তু অচিনাকী লোকে তাৰ আনন্দত হাত দিব নোৱাৰে।

# মহান নিগূঢ় তত্ত্ব

## THE GREAT MYSTERY!

"এই নিগূঢ় তত্ত্ব অতি গুৰুতৰ, কিন্তু মই খ্ৰীষ্টৰ আৰু মণ্ডলীৰ প্ৰসংগতো ইয়াকো কৈছো"
(ইফিচীয়া ৫ঃ৩২)

(পালক এচ, চাম ছেলভা ৰাজে মুখ্য মণ্ডলীত বিলোৱা বাৰ্তা)

পৃথিৱীত স্বৰ্গৰ ক্ষমতাক ব্যৱহাৰ কৰিবৰ নিমিত্তে ঈশ্বৰৰ মণ্ডলীয়েই মূল আশ্ৰয়। মণ্ডলী সাধুবিলাকৰ সহভাগিতাত স্থান হয়। পাচনিৰ কৰ্ম প্ৰথম দহটা অধ্যায়ৰ মতে মানুহবিলাক যীচু খ্ৰীষ্টৰ সৈতে আছিল, যীচু খ্ৰীষ্টৰ সৈতে বাস কৰিছিল আৰু তেওঁৰ প্ৰেমৰ সোৱাত লৈছিল, তেওঁবিলাকক 'শিষ্য' বুলি মতা হৈছিল। (পাঁচনিৰ কৰ্ম ১১ঃ২৬)। আন লোকবিলাকৰ তেওঁবিলাকৰ লগ ল'বলৈ সাহ নহৈছিল (পাঁচনিৰ কৰ্ম ৫ঃ১৩)।

বিশ্বাসী খ্ৰীষ্টিয়ানসকলে মিছা নকয়, আনক নঠগে আৰু বিশ্বাসঘাতক নহয়। তেওঁলোকে ঈশ্বৰক ভয় কৰি চলে। যদিও কিছুমান মানুহে আপোনাক বিশ্বাসঘাত কৰিছে তেন্তে তেওঁলোক ঈশ্বৰৰ সন্তান নহয়। ঈশ্বৰৰ সন্তানৰ সৈতে আপুনি মুকলি মনেৰে কথা পাতিব পাৰে। যিবিলাকে যীচু খ্ৰীষ্টৰ আদৰ্শক অনুসৰণ কৰে আৰু যিবিলাকে তেওঁৰ খোজত খোজ মিলাই অনুসৰণ কৰে তেওঁবিলাক ঈশ্বৰৰ সন্তান হয়। যিবিলাকে যীচু খ্ৰীষ্টক অনুসৰণ কৰে আৰু সকলো পৰিস্থিতিত তেওঁক প্ৰতিবিম্ব কৰে তেওঁবিলাকে যেতিয়া পৰিস্থিতিৰ দ্বাৰাই প্ৰভাৱিত হয় যীচু খ্ৰীষ্টক অস্বীকাৰ নকৰিব বা নিজৰ লাভৰ বাবে ঈশ্বৰৰ পৰিচৰ্যাক অপব্যৱহাৰ নকৰিব।

এই পৃথিৱীত আটাইতকৈ ডাঙৰ নিগূঢ় তত্ত্বটো হৈছে ঈশ্বৰৰ মণ্ডলীৰ মাজত থকা সম্পৰ্ক আৰু সেইটো হৈছে ঈশ্বৰ আৰু ঈশ্বৰৰ সন্তানসকলৰ সহভাগিতা। প্ৰভু যীচু খ্ৰীষ্টই মণ্ডলীৰ যোগেদি স্বৰ্গৰ পৰা তেওঁৰ বিশ্বাসীবিলাকৰ নিগূঢ় তত্ত্ববোৰ দি আছে। যিবিলাকে ঈশ্বৰত নতুন জন্ম লৈছে, তেওঁবিলাকেই ঈশ্বৰৰ সন্তান হয়। মানুহ ধনী বা দুখীয়া পৰিৱেশৰ পৰা হ'ব পাৰে বা চকুলোৰ উপত্যকাৰ মাজেদি যাব পাৰে। এইটো সম্ভৱ হ'ব পাৰে যে যিবিলাক মানুহে জীৱনৰ আশা হেৰুৱাইছে বা আনৰ দ্বাৰাই অগ্ৰাহ্য হৈছে বা তেওঁবিলাক কোনো কামৰ যোগ্য নহয়, কিন্তু যিজনে যীচু খ্ৰীষ্টত বিশ্বাস কৰে তেঁৱেই যীচু খ্ৰীষ্টত জন্ম পোৱা লোক (যোহন ১ঃ১৩)।

এই পৃথিৱীত এজন মানুহে জয়যুক্তৰ

*২ পৃষ্ঠাত চাওঁক*

# শিক্ষাৰ দ্বাৰা জীৱনবিলাকৰ স্পৰ্শ...১৯৬৯ ৰ পৰা
# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

ইংৰাজী, তামিল, মালায়ালাম, তেলুগু, হিন্দী, মাৰাঠী, কানাড়, বেংগলী, গুজৰাট, উৰিয়া, নেপালী, অসমীয়া, পঞ্জাৱী, উৰ্দ্দু, সিংহলী আৰু আফ্রিকান (মাহেকীয়া আলোচনী)



"... তুমি শান্তিৰে যোৱা, ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰ আগত তুমি যিহৰ অৰ্থে প্ৰাৰ্থনা কৰিলা তাক তোমাক দিয়ক" (১ চামুৱেল ১ঃ১৭)

প্ৰিয় বন্ধুসকল,

আমাৰ প্ৰভুৰ আচৰিত আৰু পুনৰুত্থিত ত্ৰাণকৰ্তা যীচুখ্ৰীষ্টৰ নামত আপোনাক শুভেচ্ছা জনাওঁ। প্ৰভু যীচু খ্ৰীষ্টই আপোনাৰ ওপৰত তেওঁৰ পুনৰুত্থিত বিশেষ শক্তি দিব আৰু আপোনাৰ জীৱনত উন্নতি প্ৰদান কৰিব।

এই বৰ্ষত ঈশ্বৰে আমাৰ সকলো কাৰ্যকলাপ যে এই মে' মাহত বহুত মণ্ডলীবিলাকত আৰু অনুষ্ঠানবিলাকত গোটেই ভাৰতত গ্ৰীষ্মকালিন ছুটীত বাইবেল ক্লাছৰ আয়োজন কৰা হৈছে। তৰুণ প্ৰজন্মলৈ শুভবাৰ্তা কঢ়িয়াই লৈ যোৱা ঈশ্বৰৰ সন্তানবিলাকৰ আশীৰ্বাদৰ বাবে আমি প্ৰাৰ্থনা কৰি আছো।



**আমাৰ মুখ্যমণ্ডলীৰ কাৰ্যসূচীসমূহ ঃ**

এপ্ৰিল ২০ ঃ অনেক মণ্ডলীবিলাক আৰু অনুষ্ঠানবিলাকে সৰু ল'ৰা আৰু ছোৱালীবিলাকৰ গ্ৰীষ্মকালিন বাইবেল ক্লাছবিলাকৰ কৃতকাৰ্যৰ বাবে আমাৰ কেন্দ্ৰ মণ্ডলীত বিশেষ উপবাস প্ৰাৰ্থনা অনুষ্ঠিত হ'ব।

এপ্ৰিল ২৪ ৰ পৰা ২৭ তাৰিখলৈকে চন্তোচাপুৰাম মণ্ডলীত হ'ব।

এপ্ৰিল ২৯ ৰ পা ৪ মে' তাৰিখলৈকে ভেলাচেৰী আৰু বালাজী নগৰ মণ্ডলীত হ'ব।

মে' ৬ ৰ পৰা ১২ মে' তাৰিখলৈকে কেন্দ্ৰ মণ্ডলীত হ'ব।

এই সৰু ল'ৰা-ছোৱালীৰ পৰিচৰ্যাৰ বাবে আমি আপোনালোকৰ নিৰন্তৰ প্ৰাৰ্থনাৰ কামনা কৰিছো।

এই পত্ৰ আপুনি গ্ৰহণ কৰাৰ আগতে ভাৰতৰ সাধাৰণ নিৰ্বাচন শেষ হৈ নতুন চৰকাৰ গঠন হৈ যাব পাৰে। নতুন চৰকাৰৰ নেতাসকলক শুভেচ্ছা জনাইছো আৰু তেওঁলোকৰ প্ৰতি ঈশ্বৰৰ আশীৰ্বাদৰ বাবে প্ৰাৰ্থনা কৰিছো।

আজিকালি বহুত মানুহৰ পৰা তেওঁলোকৰ বিভিন্ন ৰোগ আৰু পাৰিবাৰিক সমস্যাবিলাকৰ পৰা উদ্ধাৰৰ বাবে বহুত প্ৰাৰ্থনাৰ অনুৰোধ আমি পাইছো এনে প্ৰভাৱিত লোকসকলৰ উদ্ধাৰৰ বাবে আমি প্ৰাৰ্থনা কৰি আছো। প্ৰভু যীচু খ্ৰীষ্টই আপোনালোকক ৰক্ষা কৰিবলৈ তেওঁৰ স্বৰ্গদূতসকলক পঠাব আৰু সকলো যাতনা আৰু কষ্টৰ পৰা আপোনাক উদ্ধাৰ কৰিব।

আমি পৃথিৱীৰ সকলো দেশসমূহত আশীৰ্বাদ আৰু শান্তিৰ বাবে প্ৰাৰ্থনা কৰি আছো। এই বিষয়সমূহৰ বাবে আমাৰ কেন্দ্ৰ মণ্ডলীত প্ৰতিদিন পুৱা ৫.৩০ ৰ পৰা ৬.৩০ লৈকে এক বিশেষ প্ৰাৰ্থনা কৰো।

আমাৰ সোণালী জয়ন্তীৰ শুভবাৰ্তা সভাৰ বাবে আপোনালোকৰ প্ৰাৰ্থনা আৰু সহায়বিলাকৰ বাবে আমি কৃতজ্ঞতা জনাইছো। আমাৰ খ্ৰীষ্টিয়ান হাইস্কুল আৰু বাইবেল কলেজৰ ২০১৯-২০২০ৰ শিক্ষাবৰ্ষৰ বাবে পুনৰ আৰম্ভ কৰিবলৈ আমি ইচ্ছা কৰিয়েই উপযুক্ত ছাত্ৰ আৰু ছাত্ৰীবিলাকে আমাৰ স্কুল আৰু কলেজত যোগ হ'বলৈ প্ৰাৰ্থনাৰ অনুৰোধ জনাইছো।

ঈশ্বৰৰ ৰাজ্য বিস্তাৰৰ বাবে ঈশ্বৰে আপোনাক যিদৰে চলাই, তেনেদৰে আমাৰ বাবে আপোনাৰ প্ৰাৰ্থনা আৰু সহায়ৰ আমাৰ প্ৰয়োজন আছে। আমাৰ প্ৰাৰ্থনা আৰু প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহ, পিতৃ ঈশ্বৰৰ প্ৰেম আৰু পৱিত্ৰ আত্মাৰ সহভাগিতা আপোনাৰ লগত থাকক।

আপোনাৰ পৰা শুনিবলৈ আশা কৰি।

খ্ৰীষ্ট যীচুত আপোনাৰ সেৱক,
এচ. চাম ছেলভা ৰাজ।

CHIEF EDITORS
Pastor S. Sam Selva Raj
Angeline Selvakumari Henry, M.A., M.Ed.
MANAGING EDITOR
Pastor Alex Samson Sam, B.Th., M.Div.
ADMINISTRATION
Bro. N. Prakasam, M.A., General Manager
EDITORIAL BOARD
Sis. Jesy Veena Sam
Bro. M. Paulraj, M.A., B.Ed.
Sis. Serena Bevin, M.A., M. Phil., B.Ed.
ADVISORY BOARD
Adv. Jose Abraham
Adv. N. Balaji, B.Com., B.L.
Dr. S. Rabinder Boaz, M.S.
Er. C.G.S. Baburao, B.Tech., M.Tech. (DM)
Aud. K. Puratchivendan, M.Com., B.L.
Bro. Rajeswaran Samuel, B.Com.
PUBLISHER & PRINTER
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+91-44) 2852 8282
2852 9293, 2854 7766
Email : sam@echoofhiscall.org
biblecor@yahoo.co.in
Websites :
www.echoofhiscall.org
www.echoofhiscall.com

Our Ministries: ☼ ECHO OF HIS CALL Monthly Magazines (16 languages) ☼ BIBLECOR - Postal Courses (3 languages) ☼ Theological Correspondence Courses (2 languages) ☼ Church Planting ☼ Nehemiah Bible Colleges ☼ Gospel Printing Press ☼ Great Commission Partners ☼ Village English High School ☼ Crusades ☼ 24 Hour Prayer Ministry ☼ Community Development

*(প্ৰথম পৃষ্ঠাৰ পৰা)*

জীৱন জীয়াই থাকিবলৈ যি সকলো সত্য তেওঁৰ প্ৰয়োজন হয় সেইবোৰ যীচু খ্ৰীষ্ট আৰু মণ্ডলীৰ মাজত গুপুত সম্পৰ্কৰ মাজত লুকাই আছে। কিন্তু মানুহে ইয়াক অৱহেলা কৰি তেওঁবিলাকৰ জীৱনত আনন্দ আৰু শান্তিক পাবলৈ আন উপায়েৰেহে চেষ্টা কৰে। যদিও বাইবেলত বহুত নিগূঢ় তত্ত্বৰ বিষয়ে লিখা আছে, যেতিয়া আমি যীচু খ্ৰীষ্ট আৰু মণ্ডলীৰ মাজত থকা সম্পৰ্কৰ নিগূঢ় তত্ত্বক ব্যৱহাৰ কৰো, তেতিয়া আমাৰ জীৱনত পৰিৱৰ্তন হয় আৰু আমি তোলা হওঁ। বাস্তৱটো হৈছে যীচু খ্ৰীষ্ট জগতৰ ত্ৰাণকৰ্তা আৰু তেওঁৰ মণ্ডলী সময় বা সংস্কৃতি বা পৰিস্থিতি আৰু নতুন প্ৰযুক্তিবিলাকৰ দ্বাৰাই পৰিৱৰ্তন হ'ব নোৱাৰে। ভুল খবৰ বা যীচু খ্ৰীষ্টৰ বিষয়ে সম্পূৰ্ণ জ্ঞান নথকাকৈয়ে কিছুমান মানুহে ভাবে যে খ্ৰীষ্টিয়ানসকল নীচ বা ইয়াক আকোঁৱালি ল'ব নালাগে। কিন্তু এই মনোভাব সম্পূৰ্ণ ভুল, এনে কোনোবা আছেনে যিয়ে যীচু খ্ৰীষ্টক বিশ্বাসেৰে গ্ৰহণ কৰাৰ বাবে পৰিত্যাগ হৈছে? কোনোবা দৰিদ্ৰ হৈছেনে? যিকোনো কাৰণত আনক কষ্ট দিয়েনে? এই প্ৰশ্নবোৰক লৈ কোনেও কেতিয়াও 'হয়' বুলি উত্তৰ দিব নোৱাৰে। 'মই ল'ৰা আছিলো এতিয়া বুঢ়া হ'লো, তথাপি ধাৰ্মিকক পৰিত্যক্ত হোৱা নাইবা তাৰ সন্তানক আহাৰ মগা মই দেখা নাই' (গীতমালা ৩৭ঃ২৫)। যিকোনোৱে যীচু খ্ৰীষ্টক গ্ৰহণ কৰে তেওঁ কেতিয়াও আহাৰৰ বাবে ঘূৰি ফুৰা আমি নেদেখো।

যীচু খ্ৰীষ্টৰ জন্ম আৰু নৱবৰ্ষ কেৱল খ্ৰীষ্টিয়ানসকলৰ দ্বাৰাই পালন কৰা দেখা নাযায়। কিন্তু সকলো দেশৰ লোক আৰু সকলো ধৰ্মৰ লোকৰ দ্বাৰাই পালন কৰা হয়। জানুৱাৰীৰ প্ৰথম দিনটোক সকলো ধৰ্মৰ মন্দিৰত আৰু আৰাধনাৰ ঠাইবোৰত বিশেষ কাৰ্যসূচী, আৰাধনাৰ আয়োজন কৰা হয়। কিয়? সত্য সদায় সত্যই। এজনে সত্যক অস্বীকাৰ কৰি বা লুকুৱাই বহুত দিন ৰাখিব নোৱাৰে। যীচুৰ জন্মই খৃষ্টপূৰ্ব আৰু খৃষ্টাব্দত বিশ্ব ইতিহাস হিচাপে ভাগ কৰি দিছে। জগতখনেই বিপথগামী হোৱাৰ বাবে যিজন ঈশ্বৰে পৃথিৱীখন সৃষ্টি কৰিছিল যীচু খ্ৰীষ্টৰ ৰূপত মানৱৰ ৰূপ ধাৰণ কৰিলে আৰু তেওঁৰ জন্ম, মৃত্যু আৰু পুনৰুত্থানৰ দ্বাৰাই তেওঁৰ মহান প্ৰেমক প্ৰকাশ কৰিলে (ৰোমীয়া ৫ঃ৮)। যেতিয়া মৃতবিলাকৰ মৰাশবোৰৰ সকলো কবৰ যেতিয়া বন্ধ হৈ থাকে যীচু খ্ৰীষ্টৰ কবৰহে কেৱল খোলা হৈ থাকে, কিয়? তেওঁ প্ৰভু আৰু ত্ৰাণকৰ্তা। যিজনে মৃত্যুক জয় কৰিলে আৰু মৃত্যুৰ পৰা পুনৰুত্থিত হ'ল। যিকোনোৱে যীচু খ্ৰীষ্টৰ মণ্ডলীক ঘিণ কৰিব পাৰে আৰু মণ্ডলীক তাড়না কৰিব পাৰে। কিন্তু ঈশ্বৰৰ মণ্ডলী মানুহৰ নিয়ন্ত্ৰণৰ অধীনত নাথাকে। এইটো পুনেই ঈশ্বৰৰ নিয়ন্ত্ৰণৰ অধীনত চলে। পৃথিৱীৰ আৰম্ভণিৰ পৰা ঈশ্বৰৰ সন্তানবিলাকৰ এই সহভাগিতাবিলাক ভয়ানক তাড়না আৰু বিৰোধীৰ অভিজ্ঞতা পাই আহিছে। কিন্তু ঈশ্বৰৰ মণ্ডলীৰ বৃদ্ধিত কোনেও নিয়ন্ত্ৰণ কৰিব নোৱাৰে। আমি ইতিহাসত পঢ়ো যে দেশবিলাক আৰু ক্ষমতাত থকা লোকবিলাকে ঈশ্বৰৰ মণ্ডলীবিলাকক নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰিছিল, তেওঁবিলাক চিনচাব নোহোৱাকৈ চূৰ্ণ বিচূৰ্ণ হৈ গ'ল। গতিকে আমি জ্ঞানেৰে শুভবাৰ্তা ঘোষণা কৰিব লাগে। যিবিলাকে ঈশ্বৰৰ মহিমাৰ বিষয়ে নাজানে, যেতিয়া ঈশ্বৰৰ বিষয়ে জ্ঞান পায় তেওঁবিলাকে শান্তি পায়। আনকি আজিও পৃথিৱীৰ বিভিন্ন প্ৰান্তত মানুহে মণ্ডলীত যোগদান কৰি আছে। অগন্য মণ্ডলী প্ৰতিদিনেই স্থাপিত হৈ আছে।

## ১। মই মোৰ মণ্ডলী স্থাপন কৰিম যীচুখ্ৰীষ্ট

"পাছে যীচুৱে কৈচৰিয়া ফিলিপীৰ অঞ্চললৈ গৈ তেওঁ শিষ্যবিলাকক সুধিলে, বোলে মানুহবিলাকে মানুহৰ পুত্ৰক কোন বুলি কয়? তেওঁলোকে ক'লে, কোনোৱে যিৰিমিয়া বা ভাববাদীবিলাকৰ এজন বুলি কয়।"

কিন্তু তেওঁ তেওঁবিলাকক ক'লে কিন্তু তোমালোকেনো মোক কোন বোলা? তাতে চিমোন পিতৰে উত্তৰ দি ক'লে, "আপুনি সেই অভিষিক্ত জনা, জীৱনময় ঈশ্বৰৰ পুত্ৰ।" তেতিয়া যীচুৱে উত্তৰ দি তেওঁক ক'লে, "হে যোনাৰ পুতেক চিমোন, তুমি ধন্য, কিয়নো তেজ আৰু মাংসই ইয়াক তোমাৰ আগৰ প্ৰকাশকৰা নাই, কিন্তু স্বৰ্গত থকা মোৰ পিতৃয়েহে প্ৰকাশ কৰিলে আৰু ময়ো তোমাক কওঁ যে, তুমি পিতৰ আৰু এই শিলৰ ওপৰত মই মোৰ মণ্ডলী স্থাপন কৰিম আৰু নৰককুণ্ডৰ দ্বাৰে তাক পৰাজয় নকৰিব" (মথি ১৬ঃ১৭-১৮)।

ইয়াতে আমাৰ প্ৰভুৱে চিমোনক সুধিছে যে আন লোকবিলাকে তেওঁৰ বিষয়ে কি কৈছিল? যীচখ্ৰীষ্টও জানিব বিচাৰিছিল যে তেওঁবিলাকে তেওঁৰ বিষয়ে কি কয়? ইয়াৰ পৰা আমি বুজো যে প্ৰত্যেক আত্মিক চলাওতাসকলে জনা উচিত যে আনে তেওঁৰ বিষয়ে কি কয়? এজনে এইদৰে কোৱা উচিত নহয়, "আনে মোৰ বিষয়ে কি কয় তাক মই কেৰেপ নকৰো, মই মোৰ বিবেচনাৰ মতে কাম কৰি আছো"। যেতিয়া যীচু খ্ৰীষ্টই পিতৰক সুধিছিল যে আনবিলাকে তেওঁৰ বিষয়ে কি কৈছিল, চিমোনে উত্তৰ দি ক'লে, "তুমি যীচু খ্ৰীষ্ট জীৱিত ঈশ্বৰৰ পুত্ৰ"। ইয়াত তেওঁ যি প্ৰকাশ পাইছিল তাক কৈছিল। যীচু খ্ৰীষ্টই কয় যে মাংস আৰু তেজে তেওঁক প্ৰকাশ কৰা নাই কিন্তু স্বৰ্গত থকা পিতৃয়েহে তেওঁক প্ৰকাশ কৰিছে। আজিৰ লোকবিলাকে খ্ৰীষ্টিয়ানবিলাকক মূৰ্খ, অনভিজ্ঞ, জ্ঞান নোহোৱা লোক, খ্ৰীষ্টিয়ান ধৰ্ম বিস্তাৰ কৰা লোক আৰু মানুহবিলাকক পৰিৱৰ্তন কৰা লোক বুলি গণ্য কৰে। যদি এজন মানুহে যীচু খ্ৰীষ্টক তেওঁৰ ত্ৰাণকৰ্তাৰূপে গ্ৰহণ কৰে, ইয়াৰ অৰ্থ হৈছে যে মাংস আৰু তেজ তেওঁলৈ প্ৰকাশিত হোৱা নাই কিন্তু স্বৰ্গীয় পিতৃয়েহে।

আমাৰ যিমানেই যীচু খ্ৰীষ্টক আমাৰ ত্ৰাণকৰ্তাৰূপে গ্ৰহণ কৰিছো, আমি সকলোৱেই ঈশ্বৰৰ পৰা প্ৰকাশিত হোৱা লোক। যিবিলাকে নিজৰ জীৱনত প্ৰকাশ পাইছে তেওঁবিলাকৰ অতীত জীৱন গণ্য নকৰাকৈয়ে স্বৰ্গত থকা ঈশ্বৰৰ অধীনত আছে।

আপুনি ক'ব নোৱাৰে যে ঈশ্বৰে আপোনাৰ সৈতে কথা কোৱা নাই বা আপুনি ঈশ্বৰৰ মাত শুনা নাই বা আপুনি ঈশ্বৰৰ সৈতে সম্পৰ্ক ৰখা নাই। কিয়নো, প্ৰভুৱে চিমোন পিতৰক কৈছিল, '... মাংস আৰু তেজে তোমালৈ প্ৰকাশ

হোৱা নাই, কিন্তু স্বৰ্গত থকা মোৰ পিতৃয়েহে' গতিকে আপুনি যীচু খ্ৰীষ্টক আপোনাৰ ত্ৰাণকৰ্তাৰূপে গ্ৰহণ কৰিছে। যীচু খ্ৰীষ্টই সত্য ঈশ্বৰ। প্ৰভুৰো প্ৰভু আৰু পৃথিৱীৰ অধিপতি। এয়ে স্বৰ্গীয় প্ৰকাশ। এজন মানুহে ঈশ্বৰৰ পৰা দৰ্শন নাপালে তেওঁক হেঁচা দিয়া বা বাধ্য কৰাৰ দ্বাৰাই দৰ্শন পাইছে, এই পৃথিৱীতকৈ এটা বেলেগ জীৱন আৰু পৃথক জীৱন চলাই যাব লাগে।

মানুহবিলাকে বেলেগ পথেৰে তেওঁবিলাকৰ জীৱনত অগ্ৰগতি হ'বলৈ চেষ্টা কৰে, কিন্তু বাইবেলে কেৱল ঈশ্বৰৰ সন্তানবিলাকক বা যিবিলাকে তেওঁৰ দৰ্শন পাইছে এইবুলি শিক্ষা দিয়ে যে যিবিলাকে তেওঁৰ শিক্ষা দিয়াৰ মতে কাৰ্যবোৰ কৰিলে জীৱনত কৃতকাৰ্য হ'ব, যিটো বৰং আচৰিত।

## ২। মোৰ মণ্ডলী

এই পৃথিৱীত যিকোনোৱেও যিকোনো কাৰ্য কৰিব পাৰে। কিন্তু মণ্ডলী বনোৱা কাৰ্য ঈশ্বৰৰ হাততহে আছে। মথি ১৬ঃ১৮ পদত যীচু খ্ৰীষ্টই এইদৰে কয়, 'মই মোৰ মণ্ডলী স্থাপন কৰিম'। তেওঁ কোৱা নাছিল যে পিতৰ বা পৌলে মণ্ডলী স্থাপন কৰিব। নৰক কুণ্ডৰ দ্বাৰে তাক পৰাজয় নকৰিব। ঈশ্বৰৰ সন্তানৰ গোটটোৱেই হৈছে ঈশ্বৰৰ মণ্ডলী। ঘৰটোক নুবুজায়। যেতিয়া মই কওঁ যে এই মণ্ডলীত এটা উপাসনা হ'ব, ঘৰটোৰ বিষয়ে নুবুজায়। ইয়াকেহে বুজায় যে য'ত ঈশ্বৰৰ সন্তানবিলাক গোট খায়। ঈশ্বৰে নিজেই ঈশ্বৰৰ মণ্ডলী স্থাপন কৰিব। আমি একেলগে যেতিয়া এটা ঠাইত গোট খাওঁ সেইটোৱেই ঈশ্বৰৰ মণ্ডলী।

ঈশ্বৰে আপোনালোকক স্থাপন কৰিব। ঈশ্বৰৰ লোকসকল, ঈশ্বৰে কৈছে যে নৰককুণ্ডৰ দ্বাৰে তাক পৰাজয় নকৰিব। যেতিয়া আমি ইয়াক গ্ৰহণ কৰো, আমি আমাৰ জীৱনত মণ্ডলীক গুৰুত্ব দিব লাগে। ঈশ্বৰে কয় যে তেওঁ আমাক স্থাপন কৰিব আৰু সমৃদ্ধিশালী কৰিব। নৰককুণ্ডৰ দ্বাৰে আমাক পৰাজয় কৰিব নোৱাৰে। ঈশ্বৰে তেওঁৰ হাতত ইয়াৰ দায়িত্ব লৈছে। ঈশ্বৰে তেওঁৰ মণ্ডলীৰ অসুবিধা আৰু দুখ-কষ্টবোৰলৈ চাব আৰু আপোনাক স্থাপন কৰিব। ৰোগ, কষ্ট, ঋণ, দৰিদ্ৰতা যি চয়তানৰ দ্বাৰাই আহে আপোনাক পৰাজয় কৰিব নোৱাৰিব। কিয়নো আপুনি তেওঁৰ মণ্ডলী হয়, তেজ আৰু মাংসই ইয়াক প্ৰকাশ কৰা নাই কিন্তু স্বৰ্গত থকা পিতৃয়েহে প্ৰকাশ কৰিলে। ঈশ্বৰৰ মণ্ডলীত যিবিলাকে গোট খায়, তেওঁবিলাকক কেতিয়াও পৰিত্যাগ কৰা নহ'ব। ঈশ্বৰে তেওঁবিলাকক শিলৰ ওপৰত ঘৰ সজা লোকবিলাকৰ লগত তুলনা কৰে। এজন মানুহে বালিৰ ওপৰত যদি ঘৰ সাজে, যেতিয়া ধুমুহা হ'ব, ডাঙৰ বৰষুণ আহিব, পানী যেতিয়া উটি আহিব, সেই ঘৰখন ধ্বংস হ'ব। কিন্তু আন এজন মানুহে যেতিয়া শিলৰ ওপৰত ঘৰ সাজে, ডাঙৰ বতাহ আহিব, বৰষুণ আহিব, পানী উটি আহিব কিন্তু সেই ঘৰখন থিৰে থাকিব। দুখ, কষ্ট বা পৰাজয় যিকোনো তেওঁৰ জীৱনত আহিব তেওঁ দৃঢ় হৈ থিৰে থাকিব। তেওঁ আপোনাক স্থাপন

# ECHO OF HIS CALL

Monthly magazines in 16 languages, Bible Colleges, Postal Courses, Church Planting, Village English High School, Gospel Printing Press, Crusades, Seminars, Social Services, etc.

**Annual Subscription : Rs. 100/- Life Subscription : Rs. 2000/-**

The multifarious activities of **Echo of His Call Ministry** is supported by the free-will offerings and donations of the God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us. Whenever you change your postal or e-mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our websites also. You can read it by going into the site as well as downloading it and get blessed.

Your letters, prayer requests and your financial helps (by D.D., Cheque, M.O. etc.) to **ECHO OF HIS CALL** may be sent to the address below.

Please send your **Land Phone / Cell Phone Numbers and E.mail addresses** for updation.


## ECHO OF HIS CALL

10, MOHAMMED ABDULLAH 2nd STREET, CHEPAUK,
CHENNAI - 600 005, INDIA

PH: (+91-44) 2852 8282, 2852 9293, 2854 7766,
Cell: (+91) 98410 71852, 95661 31858
E-mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.echoofhiscall.com


**YOU CAN SEND YOUR DONATIONS ON ONLINE ALSO**

The details of our Bank Accounts are given below. Please inform us the details of your remittances.

| Bank | Branch | Name | IFSC Code No. | Account Number |
|---|---|---|---|---|
| 1. STATE BANK OF INDIA | Triplicane, Chennai -5 | S. Sam Selva Raj | SBIN 0000249 | 102329 34679 |
| 2. ICICI BANK | Anna Salai, Chennai -2 | Echo of His Call | ICIC 0006038 | 6038 05022319 |

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

**বিলোৰা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)

২০১৯ চনৰ ১৯ মে'ৰ পৰা ২০১৯ চনৰ ১৮ জুনলৈ

## প্ৰশংসাৰ বিষয়সমূহ ঃ

মে' ১৯ ঃ আমাৰ শিশুসকলৰ গ্ৰীষ্মকালিন বাইবেল স্কুলক ঈশ্বৰে আশীৰ্বাদ কৰিলে।

মে' ২০ ঃ আমাৰ সহকাৰী সম্পাদক, ভাই এম. পৌলৰাজে লিখা ইংৰাজী পুস্তক উপাধি হৈছে "এম্ব্ৰেচি এডভাৰচিটি" প্ৰকাশ কৰাত ঈশ্বৰে সহায় কৰিলে।

মে' ২১ ঃ ১৬ টা ভাষাত প্ৰকাশিত শুভবাৰ্তাৰ পত্ৰিকা, আমাৰ ছপাশালত ছপা কৰা আৰু মিশ্বন ক্ষেত্ৰলৈ পঠিওৱাত ঈশ্বৰে আশীৰ্বাদ কৰিলে।

মে' ২২ ঃ আমাৰ মাইলাই বালাজী নগৰ মণ্ডলীৰ বাবে ঈশ্বৰক প্ৰশংসা কৰোহক।

মে' ২৩ ঃ আমাৰ পৃথিৱীজোৰা জাগৰণৰ ১০০ জনীয়া প্ৰাৰ্থনা যুঁজাৰু পৰিচৰ্যাত ঈশ্বৰে আশীৰ্বাদ কৰিলে।

মে' ২৪ ঃ ভিতৰুৱা অঞ্চলত থকা আমাৰ কৰ্মীসকলক ঈশ্বৰে নিৰাপত্তা দি আছে।

মে' ২৫ ঃ আমাৰ বিব্লেকৰ বাইবেল যোগাযোগ পাঠ্যক্ৰমৰ বাবে ঈশ্বৰক প্ৰশংসা কৰোহক।

মে' ২৬ ঃ আমাৰ কেন্দ্ৰ মণ্ডলীৰ মহিলা পৰিচৰ্যাক ঈশ্বৰে আশীৰ্বাদ কৰি আছে।

মে' ২৭ ঃ আমাৰ নহিমিয়া বাইবেল কলেজত ঈশ্বৰে প্ৰয়োজনীয় বস্তুসমূহ যোগাইছে।

মে' ২৮ ঃ প্ৰতি দেওবাৰে আমাৰ ভেলাচেৰী মণ্ডলীত ২ টা ভাষাত ৩ টা উপাসনাক ঈশ্বৰে আশীৰ্বাদ কৰি আছে।

মে' ২৯ ঃ ঈশ্বৰে অনুগ্ৰহেৰে শুভবাৰ্তা নুশুনা ঠাইত যোৱাত আমাক সহায় কৰিলে।

মে' ৩০ ঃ আমাৰ শুভবাৰ্তা ছপাশালৰ বাবে ঈশ্বৰে উৎসৰ্গিত কৰ্মী আমাক দিছে।

মে' ৩১ ঃ আমাৰ চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুল অধ্যক্ষ, শিক্ষক আৰু কৰ্মীবিলাকৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

জুন ১ ঃ আমাৰ জেষ্ঠ পালক এচ. চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক ঈশ্বৰে মন্দ শক্তিৰ পৰা ৰক্ষা কৰি আছে।

জুন ২ ঃ ঈশ্বৰে ভনী জেচি ভিনা চামক স্বাস্থ্য উন্নতি সাধন কৰিছে।

## ঈশ্বৰ কাৰ্যত আছে!

জুন ৩ ঃ আমাৰ নহিমিয়া বাইবেল কলেজত ২০১৮-২০১৯ শিক্ষাবৰ্ষৰ বাবে ঈশ্বৰে ছাত্ৰ-ছাত্ৰীক যোগোৱাৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰো।

## প্ৰাৰ্থনাৰ বিষয়সমূহ

জুন ৪ ঃ এই মাহত তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাবিলাকৰ বাবে ঈশ্বৰে সকলো আৰ্থিক সহায় যোগাবলৈ প্ৰাৰ্থনা কৰক।

জুন ৫ ঃ ২০১৯-২০২০ বৰ্ষত চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ বাবে নতুন ছাত্ৰ-ছাত্ৰীসকলৰ বাবে।

জুন ৬ ঃ নহিমিয়া বাইবেল কলেজৰ ২০১৯-২০২০ৰ শিক্ষা বৰ্ষৰ বাবে আৰু অধিক নতুন ছাত্ৰ-ছাত্ৰী দিবৰ বাবে।

জুন ৭ ঃ আমাৰ মণ্ডলী, প্ৰকাশন, স্কুল, বাইবেল কলেজ, ছপাশাল আৰু প্ৰশাসনৰ কৰ্মীসকলৰ ওপৰত সতেজ অভিষেক পাবৰ বাবে।

জুন ৮ ঃ গোটেই জগতৰ টেলিভিশ্বন প্ৰচাৰকসকলৰ বাবে প্ৰাৰ্থনা কৰক।

জুন ৯ ঃ আমাৰ স্কুলৰ সকলো ছাত্ৰ-ছাত্ৰীসকলৰ ঈশ্বৰৰ প্ৰেমেৰে পূৰ্ণ হ'ব লাগে।

জুন ১০ ঃ কয়দীবিলাকৰ পৰিত্ৰাণৰ বাবে প্ৰাৰ্থনা কৰক।

জুন ১১ ঃ পৃথিৱীৰ পৰা আতংকবাদ গুচিবলৈ প্ৰাৰ্থনা কৰক।

জুন ১২ ঃ য'ত মণ্ডলী নাই সেই ঠাইবিলাকত আমাৰ সৰ্বশক্তিমান ঈশ্বৰে নতুন পথ মুকলি কৰিবলৈ প্ৰাৰ্থনা কৰক।

জুন ১৩ ঃ আমাৰ জেষ্ঠ পালক এচ. চাম. ছেলভা ৰাজ আৰু তেওঁৰ মিশ্বন যাত্ৰাত ঈশ্বৰে চলাই লৈ যাবলৈ।

জুন ১৪ ঃ আমাৰ সকলো সহকাৰী সম্পাদকসকল আৰু তেওঁৰ দলৰ বাবে প্ৰাৰ্থনা কৰোহক।

জুন ১৫ ঃ আমাৰ সকলো ৰাজ্যিক সহ পৰিচালকসকলৰ বাবে প্ৰাৰ্থনা কৰোহক।

জুন ১৬ ঃ তেওঁৰ আহবানৰ প্ৰতিধ্বনি মণ্ডলী স্থাপনৰ বাবে প্ৰাৰ্থনা কৰোহক।

জুন ১৭ ঃ পাকিস্তানৰ লোকসকলৰ বাবে প্ৰাৰ্থনা কৰক।

জুন ১৮ ঃ আমাক সহায় কৰা লোকসকলৰ বাবে প্ৰাৰ্থনা কৰোহক।

কৰিব কিয়নো আপুনি তেওঁৰ মণ্ডলী, নৰককুণ্ডৰ দ্বাৰে আপোনাক পৰাজয় কৰিব নোৱাৰে। ঈশ্বৰে কয় যে তেওঁ আপোনাক শিলৰ ওপৰত ঘৰ সজা মানুহৰ সৈতে তুলনা কৰিব।

আমি যেতিয়া ঈশ্বৰৰ মণ্ডলীত থাকো তেতিয়াহে আমি জয়যুক্ত হৈ থাকিব পাৰো। এই কাৰণে বাইবেলে কয় যে আমি নিজকে একেলগে গোট খাই থকাটো ত্যাগ কৰিব নালাগে (ইব্ৰী ১০:২৫)। বহুতৰ বাবে ঈশ্বৰৰ মণ্ডলীলৈ অহাটো এটা কষ্টকৰ বস্তু - গীৰ্জাঘৰ বহুত দূৰৈত আছে। তেওঁলোক ভাগৰি গৈছে, যান-বাহনৰ অসুবিধা ইত্যাদি। গতিকে এই লোকবিলাকে ঈশ্বৰৰ মণ্ডলীলৈ যোৱা, আৰাধনা কৰা, ঈশ্বৰৰ আশীৰ্বাদ পোৱাৰ সুযোগৰ পৰা বঞ্চিত হৈ থাকে। ঈশ্বৰৰ মণ্ডলী আৰু যীচু খ্ৰীষ্টৰ মাজত থকা নিগূঢ় তত্ত্বটো মহান। যদি আপুনি এটা মণ্ডলীত আছে, এই পৃথিৱীৰ যিকোনো বস্তুৱেই আপোনাক পৰাজয় নকৰিব। আপুনি জয়যুক্ত হ'ব।

যি ঈশ্বৰৰ মণ্ডলীৰ সদস্য হয়, যি সাধুবিলাকে তেওঁৰ মণ্ডলীত অংশ গ্ৰহণ কৰে আৰু যিবিলাকে যীচু খ্ৰীষ্টক তেওঁবিলাকৰ ত্ৰাণকৰ্তাৰূপে গ্ৰহণ কৰিছে তেওঁবিলাক উচ্চ শ্ৰেণীৰ লোক হয়। তেওঁবিলাকক ধ্বংস কৰিবলৈ পৃথিৱীত তেনে কোনো শক্তি নাই। আপোনাৰ জীৱনৰ সকলো পৰাজয়বোৰ জয়লাভত পৰিণত হ'ব। পৃথিৱীত স্বৰ্গৰ ক্ষমতা ব্যৱহাৰৰ স্থানটো হৈছে মণ্ডলী। এই মণ্ডলীবোৰৰ যোগেদিহে ঈশ্বৰে দেশবোৰক আশীৰ্বাদ কৰে।

যদি আপুনি এই বাস্তৱৰ বিষয়ে মানুহবিলাকক কয় তেন্তে কোনেও ইয়াক বুজি নাপাব। যিবিলাকে খ্ৰীষ্টিয়ান বিশ্বাসক অনুসৰণ কৰে তেওঁলোক অশিক্ষিত, দৰিদ্ৰ আৰু কষ্টত থকা লোক হয়। আপুনি সুধিব পাৰে, "এই লোকবিলাকেই ঈশ্বৰৰ দ্বাৰাই মনোনীত লোক হয়নে" উত্তৰটো হৈছে, "হয়", কিয়নো এয়ে সত্য হয়। যিবিলাকে প্ৰভু যীচু খ্ৰীষ্টক গ্ৰহণ কৰিছে, এই জগতৰ তেওঁলোক নহয়। স্বৰ্গই তেওঁলোকক সুৰক্ষা দিব।

## ৩। যিবিলাক মণ্ডলীত ৰোৱা হয় প্ৰফুল্লিত হ'ব

"যিবিলাকক যিহোৱাৰ গৃহত ৰোৱা হয়, সিবিলাক আমাৰ চোতাল কেইখনত প্ৰফুল্লিত হ'ব" (গীতমালা ৯৩:১৩)।

আমি এটা কৃত্ৰিম গছপুলি উভালি পুনৰ ৰুব পাৰো তাত পানী দিবৰ প্ৰয়োজন নাই। যিবিলাকক ঈশ্বৰৰ গৃহত ৰোৱা হয়, কৃত্ৰিম গছ পুলিৰ দৰে অস্থায়ীভাৱে ৰোৱা নহয়। স্বাভাৱিক গছপুলি এটা মাটিত ৰোৱা হয় তাক পানী দিয়া হয়। যাৰ জীৱনবিলাক গছপুলিৰ দৰে হয়, আমাক ফল দিয়ে, তেওঁলোক ঈশ্বৰৰ মণ্ডলীত প্ৰফুল্লিত হ'ব। কেৱল এই গছপুলিৰ দৰে জীৱন থকা লোকবিলাকৰহে জীৱন সমৃদ্ধিশালী হয়।

ঈশ্বৰৰ মণ্ডলীত ৰোৱা হয়, পানী দিয়া আৰু সাৰ দিয়া হ'লে ঈশ্বৰৰ মণ্ডলীত শিপা ধৰা হ'ব, প্ৰফুল্লিত হ'ব আৰু মণ্ডলীত ফল দিব।

যিবিলাকে মণ্ডলীত প্ৰকৃত উৎসৰ্গিত হৈ সেৱা কৰে আৰু পালকক ফল দিয়াৰ দ্বাৰাই সহায় কৰে তেওঁলোক প্ৰফুল্লিত হ'ব। আজিকালি বহুত মানুহৰ এনে মনোভাব নাই কিছুমান মানুহে মণ্ডলীত বাপ্তিস্ম পোৱাৰ পাছত এনে সিদ্ধান্ত লয় যে তেওঁলোকে ৰক্ষা পাইছে। তেওঁবিলাকে মণ্ডলী এৰি নিজৰ অনুষ্ঠান স্থাপন কৰে আৰু ঈশ্বৰে গ্ৰহণ নকৰা সকলো কাৰ্যবোৰ কৰে আৰু সকলো ধৰণৰ সমস্যাৰ সন্মুখীন হয়। অৱশেষত তেওঁলোকে সকলোবিলাক ত্যাগ কৰিবলগীয়া হয়। ঈশ্বৰৰ মণ্ডলীত তেওঁ দিয়া দায়িত্ব আৰু কাৰ্যৰ দৰ্শন আপুনি বিশ্বাসেৰে পালন কৰিলে প্ৰফুল্লিত হ'ব। কিছুমান মানুহে প্ৰশ্ন কৰিব পাৰে, যদি মই গীৰ্জালৈ যাওঁ, তেন্তে সকলো ঠিকেঠাকে চলিবনে?" হয়, সকলো ঠিক হৈ যাব, যেতিয়া এই কথা সাধাৰণ মানুহক কোৱা হয়, তেওঁলোকে বুজি নাপায়, যেতিয়া মই এজন যুৱক হৈ আছিলো। মই মোৰ জ্যেষ্ঠ পালকৰ চেণ্ডেল চফা কৰিছিলো আৰু তেওঁক সহায় কৰিছিলো। সেয়ে মোৰ পৰিচৰ্যা আছিল। সেই সৰু সেৱা কৰাৰ বাবে ঈশ্বৰে মোক আজি সমাজৰ পৰিচৰ্যা কৰিবলৈ দিছে। আপুনি মণ্ডলীত ৰোৱা হৈছে নে নতুবা আপুনি তাত এনেয়েই থাকিছে? আজিকালিবহুত মানুহবিলাকে গভীৰভাৱে ৰোৱা বিশ্বাসী নহয়, কিন্তু তেওঁলোক কেৱল দৰ্শনাৰ্থীহে হয়। যি গছপুলি মাটিত ভালদৰে ৰোৱা হয়, ফল দিয়ে, বহুতৰ জীৱনবিলাক ফলহীন হৈ আছে,

## অনুগ্ৰহ কৰি আপুনি মনোযোগ দিয়ক

আপুনি এনে এজন ব্যক্তিনে যিয়ে তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ যিকোনো এটি পৰিচৰ্যাৰ যোগেদি আশীৰ্বাদপ্ৰাপ্ত হৈছে? যদি এনে হৈছে তেন্তে অনুগ্ৰহ কৰি আপোনাৰ সাক্ষ্য ফটোৰ সৈতে আমালৈ পঠিয়াওক তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ সোণালী জয়ন্তীত প্ৰকাশ কৰিবৰ বাবে।

— সম্পাদক

## বাতৰি

### খ্ৰীষ্টিয়ানবিলাকৰ বাবে সংৰক্ষিত কোটা

**হায়দৰাবাদ** ঃ অন্ধ্ৰ প্ৰদেশৰ ৰাজ্যিক চৰকাৰে খ্ৰীষ্টিয়ান দলিত লোকবিলাকৰ বাবে স্কুলত নামভৰ্তি আৰু পাব্লিক কৰ্মসংস্থানৰ সংখ্যা আৰু অধিক বৃদ্ধি কৰাৰ এটা সংকল্প গ্ৰহণৰ অনুমোদিত কৰিছে। ভাৰতীয় সম্পূৰ্ণ দৃশ্যত এই এক অসাধাৰণ বৰ্জন য'ত হিন্দু, বুদ্ধ আৰু শিখ লোকসকলৰ পিছপৰা জাতসকলহে সংবিধানৰ দ্বাৰাই ৰক্ষিত হৈ আছে। এই অংশৰ বাবে ভাৰতীয় মণ্ডলীবিলাকে খ্ৰীষ্টিয়ানলৈ পৰিৱৰ্তন হোৱা লোকবিলাকৰ বিৰুদ্ধে চলি থকা প্ৰভেদৰ এই "লজ্জাজনক" বিষয়ৰ বিৰুদ্ধে সদায় প্ৰতিবাদ জনাই আছিল আৰু আনকি সমাজত থকা একেবাৰে দৰিদ্ৰ শ্ৰেণীৰ লোকসকলৰ অধ্যয়ন আৰু কৰ্ম সংস্থানৰ অধিকাৰৰ বৃদ্ধি বাবে বাৰে বাৰে মাত মাতিছিল।

— ফ'ৰ্বাণাৰ (মাৰ্চ ২০১৯)

আমি কওঁ যে আমি বিশ্বাসী হওঁ, কিন্তু জয়যুক্ত নহও, যিমানেই আপুনি ঈশ্বৰৰ গৃহত ব্যস্ত থাকে সিমানেই আপুনি গভীৰভাৱে ৰোৱা হ'ব আৰু আপুনি ঈশ্বৰৰ গৃহত অধিক ফল দিব। সিমানেই আপুনি ফল দিব যে ঈশ্বৰেও আপোনাক প্ৰফুল্লিত কৰিব।

এজন জনাজাত পালক স্বৰ্গীয় জি. সুন্দাৰাম যিবিলাকে স্বাধীনভাৱে পৰিচৰ্যা কাৰ্য কৰে তেওঁবিলাকক কৈছিল, "আপুনি য'তেই আৰু যি কোনো প্ৰকাৰেই পৰিচৰ্যা কাৰ্য কৰিব পাৰে, কিন্তু ৰছীৰ এটা মূৰ নিজৰ পিন্ধা কাপোৰত বান্ধিব আৰু আনটো মূৰ মণ্ডলীত বান্ধি থ'ব। আপুনি কেৱল সেই মণ্ডলীৰ পৰাহে শক্তি পাব। নহ'লে আপুনি আপোনাৰ আত্মিক জীৱনত মাউৰা হ'ব।" তেওঁ তেওঁবিলাকক এক প্ৰত্যাহ্বান জনাই এই বাৰ্তাবিলাকক কৈছিল। এয়েই এক ডাঙৰ সত্য।

যি লেখকে আপোনাৰ বাবে এই বাৰ্তা লিখিছে, তেওঁ এজন চলাওতাৰ অধীনত চলি আছে আৰু মই আশীৰ্বাদ প্ৰাপ্তও হৈছো। ঈশ্বৰে মোক বহুত সহকাৰী পালকৰ সৈতে আশীৰ্বাদ কৰিছে। মই মোৰ জেষ্ঠৰ প্ৰতি বাধ্য হওঁ। মই সুখী। আপোনাৰ স্থান ক'ত?

## ৪। প্ৰভুৰ দিন সুখদায়ক

"যদি তুমি মোৰ পৱিত্ৰ দিনা তোমাৰ কাৰ্য নকৰি, বিশ্ৰাম দিনৰ পৰা তোমাৰ ভৰি আঁতৰোৱা আৰু যদি বিশ্ৰাম বাৰক সুখদায়ক আৰু যিহোৱাৰ পবিত্ৰ দিনক মাননীয় বুলি কোৱা আৰু তোমাৰ নিজ কাৰ্য সিদ্ধ নকৰি, তোমাৰ অভিলষিত চেষ্টা নকৰি, নিজৰ কথা নকৈ তাক মান্য কৰা, তেন্তে তুমি যিহোৱাত সুখী হ'বা" (যিচয়া ৫৪ঃ১৩-১৪)।

আমাৰ সকলোৰেই উচ্চ স্থানলৈ আশা কৰে। আমাৰ পথবোৰত আমি উন্নতি হোৱাটো বিচাৰো, আমি ইয়াক কিদৰে পাব পাৰো? প্ৰভুৰ দিনত অৰ্থাৎ দেওঁবাৰে আমি অধাৰ্মিকৰ আলচৰ পৰা আঁতৰি আহিব লাগিব আৰু ঈশ্বৰক সন্তোষ দিয়া কাৰ্য কৰিব লাগিব। আপোনাকেই কেৱল সন্তোষ দিয়া কাৰ্যবোৰ নকৰিব আৰু নিজৰ বিষয়ে কৈ নাথাকিব, কিয়নো প্ৰভুৰ দিনটো সুখদায়কৰ দিন হয়। এই দিনটো এক উত্তম দিন, সুখদায়কৰ দিন, প্ৰভুৰ দিনক পালনৰ দিন আৰু এই দিনক সমাদৰ কৰা দিন হয়। এই দিনটোত, টেলিভিশ্বনত যিকোনো কাৰ্যসূচী নাচাব কিন্তু এই দিনত মণ্ডলীৰ উপাসনালৈ গুৰুত্ব দিয়ক আৰু গীৰ্জাত যোগদান দিয়াক আপোনাৰ কৰ্তব্য বুলি ভাবিব। তেতিয়া আপুনি ঈশ্বৰত নিজকে সুখদায়ক পাব।

দেওবাৰে পুৰা উপাসনাৰ পাছত যদি আপুনি নিজৰ জাগতিক বস্তু আৰু কামৰ বাবে সময় দিবলৈ পৰিকল্পনা কৰে, আপোনাৰ জীৱনত আপুনি প্ৰকৃত আনন্দ নাপাব। আপোনাৰ জীৱনত কোনো উন্নতি নহ'ব। এই দিনটোক আপুনি ঈশ্বৰৰ বাবে উৎসৰ্গা কৰিব লাগে। যদিও আপুনি আপোনাৰ বন্ধুৰ লগ পাবলৈ সেইদিনাখন নিজৰ কামত সময় অতিবাহিত কৰিব বিচাৰে তেন্তে আপুনি জীৱনত অগ্ৰগতি লাভ কৰিব নোৱাৰে।

যেতিয়া আপুনি প্ৰভুৰ দিনটোক প্ৰফুল্লিত দিন বুলি গণ্য কৰে, প্ৰভুৰ বাবে দিনটোক পৃথককে ৰাখে আপুনি আনন্দ পাব। এই পৃথিৱীত ঈশ্বৰে আপোনাক উচ্চ স্থানত ৰাখিব। আপোনাৰ জীৱনত যদি আৰ্থিক বা স্বাস্থ্যৰ অৱনতি বা আপোনাৰ আত্মিকজীৱনত নিৰাশ আছে বা আনবিলাকত থকাৰ দৰে আপোনাৰ জীৱনত কিবা নথকাৰ অনুভৱ কৰাৰ সময়ত আপুনি যদি ঈশ্বৰক সোধে, কিয় ঈশ্বৰ? পৱিত্ৰ আত্মাই এই বাৰ্তাৰ যোগেদি স্পষ্টকৈ কৈ আছে। যদি আপুনি তেওঁৰ দিনটোক প্ৰফুল্লিত দিন হিচাবে গণ্য কৰে, তেতিয়া আপুনি সুখী হ'ব আৰু ঈশ্বৰে আপোনাক উচ্চ স্থানত ৰাখিব।

## ৫। টকা সম্পৰ্কীয় আশীৰ্বাদ

"মোৰ গৃহত আহাৰ হ'ব নিমিত্তে তোমালোকে ভঁৰাললৈ গোটেই দশমভাগ আনা, বাহিনীবিলাকৰ যিহোৱাই কৈছে, মই তোমালোকলৈ আকাশৰ দুৱাৰ মুকলি কৰিম নে নকৰিম আৰু ঠায়ে নধৰাকৈ তোমালোকলৈ আশীৰ্বাদ বৰ্ষাম নে নবৰ্ষাম তাক জানিবলৈ তোমালোকে ইয়াৰেই মোক পৰীক্ষা কৰি চোৱা" (মলাখী ৩ঃ১০)।

"যদি মই মোৰ উপাৰ্জনৰ অংশ দিও, তেন্তে পাছত মোৰ ভাল সময় আহিব?" কিছুমানৰ এই প্ৰশ্ন আছে। আপোনাৰ সকলো উপাৰ্জনৰ দশম ভাগটোৱেই ঈশ্বৰৰ হয়। যদি আপুনি আপোনাৰ টকাৰ দশমভাগ নিদিয়ে তেন্তে আপুনি ঈশ্বৰৰ ওচৰত ধৰুৱা হৈ আছে। য'ত আমি আমাৰ টকাৰ দশমভাগ দিওঁ সেয়া ঈশ্বৰৰ হয়নে? তোমালোকে ভঁৰাললৈ গোটেই দশম ভাগ আনা। আপোনাৰ দশম ভাগ শুভবাৰ্তাৰ কাৰ্য বা আলোচনীৰ পৰিচৰ্যা বা আন পৰিচৰ্যাৰ বাবে হ'ব নালাগে। কিছুমান প্ৰান্তত প্ৰচাৰ কাৰ্য কৰা লোকবিলাক বা সভা আদিৰ আয়োজন কৰা লোকবিলাকৰ হ'ব নালাগে। ই আপুনি যি মণ্ডলীৰ সদস্য হয়, সেই মণ্ডলীৰ বাবে হয়। মণ্ডলীয়ে নিজা পৰিচৰ্যাৰ কাৰ্যৰ বাবে এই ধন ব্যৱহাৰ কৰিব পাৰে আৰু ঈশ্বৰৰ পৰিচৰ্যা, আন প্ৰান্তৰ দুখীয়া দৰিদ্ৰৰ বাবে ব্যৱহাৰ হ'ব লাগে। এইটো আপোনাৰ

## নাচাৰত প্ৰাৰ্থনা সহভাগিতা ১৯৭১ চনত জাননী

১৯৬৯-৭০ চনত তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ আৰম্ভণৰ দিনবোৰত ইয়াৰ পৰিচৰ্যাত বিশেষ অংশ লোৱা কোনো ব্যক্তিক যদি আপুনি জানে, অনুগ্ৰহ কৰি তেওঁলোকৰ নাম, ঠিকনা, ফোন নম্বৰ ইত্যাদি আমালৈ পঠাওক। আমি তেওঁলোকক যোগাযোগ কৰিব বিচাৰো আৰু সন্মান কৰিব বিচাৰো।

১৯৬৯-৭০ চনত মোক ঈশ্বৰে নাচৰত প্ৰাৰ্থনা সহভাগিতাৰ যোগেদি তেওঁৰ এজন দাস হিচাপে তৈয়াৰ কৰিছিল। এতিয়া এই সহভাগিতাৰ সদস্যসকল গোটেই পৃথিৱীত বিয়পি গৈছে। তেওঁলোকক যোগাযোগ কৰা ঠিকনাৰো আমাৰ প্ৰয়োজন হৈছে। অনুগ্ৰহ কৰি আমাক সহায় কৰক।

পালক, এচ, চাম ছেলভা ৰাজ, সম্পাদক
9841271858

বাবে বহুত গুৰুত্বপূৰ্ণ যে যি মণ্ডলীত ঈশ্বৰৰ ধন ঈশ্বৰৰ বাবেহে খৰচ কৰা হয় তেনে মণ্ডলীতহে আপুনি সদস্য হ'ব লাগে। বাইবেলে কয় যে তোমাৰ উপাৰ্জনৰ দশমভাগ মণ্ডলীৰ ভঁৰাললৈ আনা। বিশ্বাসীবিলাকৰ এই ধন খৰচ কৰাৰ কোনো অধিকাৰ নাই। এজন বিশ্বাসীয়ে এই দশম ভাগত হাত দিব নোৱাৰে আৰু য'ত ত'তে ইয়াক খৰচ কৰিবও নোৱাৰে।

তোমাৰ দশমভাগ মণ্ডলীৰ ভঁৰাললৈ আনা। ঈশ্বৰে তেওঁক দি চাবলৈ কৈছে। যদি তেওঁ তোমালোকলৈ আকাশৰ দুৱাৰ মুকলি কৰিব নে নকৰিব আৰু ঠাঁয়ে নধৰাকৈ তোমালোকলৈ আশীৰ্বাদ বৰ্ষাৰ নে নবৰ্ষাব ঈশ্বৰৰ বাক্যৰ পৰা আমি এটা শব্দও সলনি কৰিব নালাগে। মই এজন ব্যক্তি যিজন মোৰ নিজৰ উপাৰ্জনৰ পৰা দশম ভাগ দিয়াৰ দ্বাৰাই আশীৰ্বাদপ্ৰাপ্ত হৈছো। কেতিয়াবা যেতিয়া আমি সৰু উপাৰ্জন কৰো, আমি দশমভাগ দিও। কিন্তু যেতিয়া আমাৰ উপাৰ্জন বৃদ্ধি হয়, তেতিয়া দশমভাগ দিয়াত কিছুমান সমস্যা হয়। যেতিয়া আপোনাৰ উপাৰ্জন ১০০ টকা হয় আপুনি দশমভাগ হিচাবে ১০ টকা দিব পাৰে, তেতিয়া ১০০০ হয় আপুনি ১০০ টকা দিব পাৰিব কিন্তু যদি আপোনাৰ উপাৰ্জন ১০০০০ টকা হয় তেন্তে ১০০০ টকা দশমভাগ হিচাবে দিয়াটো সহজ নহয়। যেতিয়া ঈশ্বৰে আমাক আশীৰ্বাদ বঢ়াই থাকে আৰু যদিহে আমিও বিশ্বাসেৰে দশমভাগ দি থাকো ঈশ্বৰে আমাক প্ৰচুৰ পৰিমাণে আশীৰ্বাদ কৰিব। যেতিয়া আপুনি আপোনাৰ মণ্ডলীত দশমভাগ দিয়ে ঈশ্বৰে আকাশৰ দুৱাৰ খুলিব আৰু ঠাঁয়ে নধৰাকৈ আশীৰ্বাদ বৰ্ষাব। এই এক মহান নিগূঢ় তত্ত্ব। বহুতে এই বিষয়ে জ্ঞাত নহয়। আপুনি দিয়ক আৰু চাওক কিয় হয়। জয়যুক্ত আপোনাৰ হ'বইঙ্গ

****

## জাননী

যিসকলে আমাৰ দুৰৱস্থা আৰু কঠিন পৰিস্থিতিৰ সময়ত আমাক সহায় কৰিছিল তেওঁলোকক আমি তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাৰ ৫০ বছেৰেকীয়া উৎসৱ পালনৰ সময়ত লগ পাব বিচাৰো আৰু সন্মান জনাব বিচাৰো। যদি তেনে কোনোবা আছে, অনুগ্ৰহ কৰি আপোনাৰ ফোন নম্বৰ আৰু ঠিকনা আমালৈ পঠাওক।

"যিজনাই হীন অৱস্থাৰ কালত আমাক সুঁৱৰিলে, তেওঁৰ ধন্যবাদ কৰা"
(গীতমালা ১৩৬ঃ২৩)

পালক, এচ, চাম ছেলভা ৰাজ
সম্পাদক
9841271858


# NEHEMIAH BIBLE COLLEGES

**ECHO OF HIS CALL MINISTRIES** (ESTD.: 1969)

**Affiliated to Hindustan Bible Institute & College (HBI), Chennai**
**&**
**Recognised by the International Christian Leaders & Senior Pastors for the 50 Years!**

**RESIDENTIAL COLLEGE, Velachery**
**(Medium: English & Hindi)**
Course : Diploma in Theology,
Qualification : 10th Standard
Period : One year (with field and administrative trainings)

Golden Opportunity!

Don't miss!!

God is Calling you!!!

**EVENING COLLEGE, Chepauk & Santhoshapuram**
**(Medium : Tamil)**
Course : Diploma in Theology
*Monday, Tuesday & Thursday 6.30 PM to 8.30 PM*
(Evening Classes - Chepauk)
Qualification : 10th Standard
Period : One year (with special Seminars on holidays)

**Pastor S. Sam Selva Raj, Founder-President**
**For more details & application forms please contact :**
NEHEMIAH BIBLE COLLEGES
10, Mohammed Abdullah 2nd Street, Bells Road, Opp. Cricket Stadium, Chepauk, Chennai - 600 005, India.
**Phone : (+91-44) 2852 8282, 2852 9293, 2854 7766, Cell No : (+91) 98410 71852, 95661 31858**
**E.mail : sam@echoofhiscall.org / biblecor@yahoo.co.in Websites : www.echoofhiscall.org / www.echoofhiscall.com**



# PIT TO PALACE
# গৰাহৰ পৰা ৰাজগৃহলৈ

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**“যিজনে পঢ়ে, তেওঁ বুজক” মথি ২৪ ঃ ১৫**

**“যেতিয়াই মোৰ ভয় লাগে; তেতিয়াই মই তোমাত ভাৰসা কৰিম।” (গীতমালা ৫৬ঃ৩)**

**“সংকটৰ কালত মই তোমাৰ আগত প্ৰাৰ্থনা কৰিম; কিয়নো তুমি মোক উত্তৰ দিবা।” (গীতমালা ৮৬ঃ৭)**

১৯৮৫ চনত চেন্নাইৰ, চেপাকৰ চি.এন.কে পথৰ কাষত এটা সৰু ঘৰ মই ভাড়াত লৈ তাত প্ৰাৰ্থনা আৰু পৰামৰ্শৰ কেন্দ্ৰ আৰম্ভ কৰিছিলো, কিয়নো মই মোৰ মনত অনুভৱ কৰিছিলো যে বহুত মানুহৰ আত্মিক পৰামৰ্শৰ প্ৰয়োজন আছে। এইটো এটা অখ্ৰীষ্টিয়ান অঞ্চল আছিল, য'ত সাধাৰণতে খ্ৰীষ্টিয়ানবিলাকে সহজে ভাড়াত ঘৰ পাব নোৱাৰে। মই থকা গৃহটোৰ বাহিৰত তেওঁৰ আহবানৰ প্ৰতিধ্বনি প্ৰাৰ্থনা আৰু পৰামৰ্শ কেন্দ্ৰ বুলি লিখা এখন চাইন ব'ৰ্ড লগাবলৈ ঈশ্বৰে মোক সমৰ্থ কৰিলে। প্ৰতিদিনে কিছুমান লোকে মোৰ এই গৃহলৈ আহি তেওঁলোকৰ অভাৱ আৰু সমস্যাবিলাকৰ বিষয়ে কৈছিল। মই তেওঁলোকৰ সৈতে প্ৰাৰ্থনা কৰিছিলো আৰু ঈশ্বৰে ইয়াৰ যোগেদি আচৰিত কৰ্ম কৰিছিল। পাছত, বেয়া আত্মাৰে আক্ৰান্ত হোৱা লোকসকলেও মোক পৰিদৰ্শন কৰিবলৈ আৰম্ভ কৰিলে আৰু যেতিয়া মই প্ৰাৰ্থনা কৰিছিলো প্ৰভু যীচু খ্ৰীষ্টৰ শক্তিৰ যোগেদি স্বৰ্গীয় উদ্ধাৰৰ কাৰ্য হ'ল।

এবছৰৰ পাছত যি লোকবিলাকে ঈশ্বৰ এই কাৰ্যক ভাল পোৱা নাছিল, তেওঁবিলাকে মোক আৰু ঈশ্বৰৰ কাৰ্যক বাধা দিবলৈ আৰম্ভ কৰি দিছিল। আনকি মোক চিনি পোৱা লোকবিলাকেও ঈশ্বৰৰ এই কাৰ্যৰ বিৰুদ্ধে থিয় হৈছিল আৰু মোৰ প্ৰতি অতি আক্ৰমণাত্মক আছিল। মই বহুত কষ্টেৰে ঘৰৰ ভাড়া দিছিলো, কিয়নো মোৰ অধিক উপাৰ্জন নাছিল। ঘৰৰ মালিকলৈ ইতিমধ্যে দুমাহৰ আগতীয়া ভাড়াও মই দিছিলো।

এবাৰ মোৰ অভাৱগ্ৰস্ত অৱস্থাৰ বাবে দুমাহৰ ঘৰ ভাড়া দিয়াত অসমৰ্থ হৈছিলো। এই দুমাহৰ ভাড়াও আগতীয়াকৈ জমা দিয়া ধনৰ পৰা মালিকে কাটি ল'লে। গতিকে ঘৰৰ মালিকে মোক সোনকালে ঘৰ খালি কৰিবলৈ ক'লে। এই ঠাইত ঈশ্বৰৰ পৰিচৰ্যাৰ উন্নতি হৈছিল আৰু মানুহবিলাকেও উদ্ধাৰৰ অভিজ্ঞতা পাই আছিল, গতিকে মই ভাড়া দিবলৈ মালিকক অলপ সময় দিবলৈ অনুৰোধ জনালো। কিন্তু তেওঁ মোৰ অনুৰোধক গ্ৰহণ নকৰিলে আৰু মই ঘৰ খালি কৰিবলৈ সিদ্ধান্ত ল'লো। ইতিমধ্যে মালিকে পাঁচজন স্থানীয় মানুহক বলপূৰ্বক মোৰ বস্তুসমূহ পথৰ কাষত পেলাই দিবলৈ লগালে। বহুত মানুহে তাত আমেজ ল'বলৈ জমা হ'ল আৰু তেওঁলোকৰ এজনেও মোৰ পক্ষত মাত নামাতিলে; কিন্তু তেওঁলোকে আনন্দেৰে মোৰ অতি বেয়া আৰু লজ্জাজনক পৰিস্থিতিক উপভোগ কৰি আছিল।

কিন্তু পিতৃ ঈশ্বৰে মোৰ আঘাতপ্ৰাপ্ত আৰু দুখ ভৰা হৃদয়লৈ মৃদু স্বৰেৰে কথা ক'লে, “মোৰ পুত্ৰ চাম, তোমাৰ বাবে এইটো এটা কঠিন সময় আহিছে। গতিকে অকলে থিয় দিয়া। ... অকলে থিয় দিয়া যি কাৰ্যৰ বাবে মই তোমাক আহবান কৰিছো তাৰ বাবে তুমি প্ৰয়োজন হ'লে অকলে থিয় দিব লাগিব। ইয়াত যি যি ঘটি আছে এই সকলো দেখি আছো। এদিন আহিব; সেই দিনা মই কোন হয় তাক তুমি জানিবাঙ্গ ইয়াত যি লোকবিলাকে তোমাৰ ভগ্ন হৃদয়ক দেখি আনন্দ উপভোগ কৰি আছে তুমি কোন হোৱা তেওঁবিলাকে এদিন জানিবঙ্গ মই জানো যে আজি তুমি একেবাৰে নিম্ন স্তৰত আছা; কিন্তু ইয়াতে মই তোমাৰ বাবে এটা প্ৰসাদ তৈয়াৰ কৰিছো। যেতিয়া মই তোমাৰ চকু মুকলি কৰিম তুমি ইয়াক দেখিবা”।

মই এটা সৰু ঠেলা গাড়ী অনাই মোৰ বস্তুসমূহ নিবলৈ গাড়ীত উঠালো। সেই সময়ত, ঘৰৰ মালিকৰ অনুমতি লৈ, মই ঘৰৰ ভিতৰলৈ গ'লো আৰু আঁঠু লৈ ঈশ্বৰলৈ প্ৰাৰ্থনা কৰিলো। তাত সেই পৰিস্থিতি চাই থকা মানুহবিলাকে, খিৰিকিয়েদি মই কি কৰি আছো বা মই মোৰ প্ৰাণৰ

ইয়াতে কাটক

## (অনুগ্ৰহ কৰি অধিক সেৱাৰ বাবে তলৰ বিৱৰণ খিনি পূৰ কৰি আমালৈ পঠাওক)

**তেওঁৰ আহবানৰ প্ৰতিধ্বনি**ৰ বহুবিধ পৰিচৰ্য্যাবিলাক প্ৰভূৰ পৰিচৰ্য্যা বুলি আপুনি বিশ্বাস কৰেনে? ..............................

**তেওঁৰ আহবানৰ প্ৰতিধ্বনি**ৰ পৰিচৰ্য্যাবিলাকলৈ সমৰ্থন কৰিবলৈ আপুনি ইচ্ছুক নে? ..............................

**তেওঁৰ আহবানৰ প্ৰতিধ্বনি**ৰ পৰিচৰ্য্যাবিলাকলৈ আপোনাৰ আন্তৰিকতাপূৰ্ণ প্ৰাৰ্থনা উৎসৰ্গৰ দ্বাৰাই আমাৰ **প্ৰাৰ্থনাৰ অংশীদাৰ** হ'বলৈ ইচ্ছুক নে? .....

আমাৰ **বিশ্বাসীৰ অংশদাৰ** হিচাপে “**তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্য্যাবিলাকলৈ**” এটি ক্ষুদ্ৰ মাহেকীয়া বৰঙণি (১২ মাহৰ বাবে) উচ্ছৰ্গা কৰিবলৈ আপুনি ইচ্ছুক নে? ..............................

**অনুগ্ৰহ কৰি আমালৈ লিখক ঃ**

**ECHO OF HIS CALL**

10, Mohammed Abdullah 2nd Street, Chepauk, Chennai - 600 005, India

Phone : (+91-44) 2852 8282, 2852 9293, 2854 7766 Cell : (+91) 98410 71852

E-mail : sam@echoofhiscall.org / biblecor@yahoo.co.in Website : www.echoofhiscall.org / www.echoofhiscall.com

RNI NO. TNASS/2000/2335, Postal Regn. No. TN/CH(C)/204/18-20 WPP NO. TN/PMG(CCR)/WPP-262/18-20

*(৯ পৃষ্ঠাৰ পৰা)*

কিবা ক্ষতি কৰিবলৈ চেষ্টা কৰিছো নেকি বুলি চাই আছিল।

কিন্তু মই বহুত দুখেৰে ঈশ্বৰলৈ প্ৰাৰ্থনা কৰি আছিলো, “মোৰ ঈশ্বৰ প্ৰভু দয়া কৰি মোৰ পৰিস্থিতিক চোৱা। মোৰ হাতত টকা নথকা হেতুকে ঘৰৰ ভাৰা দিব নোৱাৰা হৈছো, মোৰ ঘৰ খালী কৰিবলগীয়া হৈছে আৰু পৰিচৰ্যাত কৃতকাৰ্য হোৱা এই ঠাই ত্যাগ কৰিবলগীয়া হৈছে। এতিয়া পিতৃ মই আপোনাক ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ নামত তোমাক মাতিছো যে তুমি মোক এই একেটা প্ৰান্তত মোক এটি গৃহ দান কৰা, যাতে যিবিলাকে ঠাট্টা বিদ্ৰুপ কৰি মোৰ অৱস্থালৈ চাই হাঁহি আছে এদিন দেখিব যে তুমি এজন জীৱিত ঈশ্বৰ আৰু তোমাৰ দাসে পৰিচৰ্যা একেৰাহে চলাই আছে।”

পাছে মই ঘৰৰ তলা-চাবি তেওঁক গতাই দিলো আৰু পাছত মই ঘৰৰ ভাৰাও দি শেষ কৰিলো। কিন্তু মই নিৰন্তৰে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনাৰ উত্তৰ পাবলৈ প্ৰাৰ্থনা কৰি আছিলো। কিন্তু ঈশ্বৰে বহুত দিন ধৰি নিৰৱ হৈ আছিল আৰু মোৰ স্বাস্থ্য আৰু মোৰ পৰিয়ালত অতি কঠিন সময়ৰ অভিজ্ঞতা আহিবলৈ দিলে।

তিনি বছৰৰ পাছত একে প্ৰান্তত আগৰ গৃহটোতকৈ ৮০ গুণ ডাঙৰ আৰু ৫ গুণ ওখ গৃহ এটা পাবলৈ ঈশ্বৰে মোক সক্ষম কৰিলে আৰু ঈশ্বৰে আচৰিতভাৱে মোৰ পক্ষত কাৰ্য কৰিবলৈ আৰম্ভ কৰি দিলে। মোৰ প্ৰাক্তন মালিকৰ লগতে আন লোকবিলাকেও মোক প্ৰশংসা কৰি ক'লে যে যিজন ঈশ্বৰক তেওঁ সেৱা কৰে সেইজন ঈশ্বৰ সঁচাকৈয়ে প্ৰকৃত আৰু জীৱিত ঈশ্বৰ। এইদৰে ঈশ্বৰে তেওঁৰ পৰিচৰ্যাত মোক উত্তৰ দিয়াৰ দ্বাৰাই আচৰিত কৰ্ম পৰিপূৰ্ণ কৰিলে।

প্ৰিয় পঢ়ুৱৈ, এই একেজনা ঈশ্বৰ এতিয়াও জীৱিত হৈ আছে। আনকি আজিও আপোনাৰ জীৱনত তেওঁ আচৰিত কৰ্ম কৰিব পাৰে। আচৰিত কৰ্মৰ বাবে তেওঁত বিশ্বাস কৰক।

**“ডেকা সিংহবোৰে আহাৰৰ অভাৱত ভোকতে থাকে, কিন্তু যিবিলাকে যিহোৱাক বিচাৰে, তেওঁবিলাকৰ মংগলৰ একো অভাৱ নাই” (গীতমালা ৩৪ঃ১০)।**

****

**অনুগ্ৰহ কৰি আমাৰ মূখ্য কাৰ্য্যালয়ৰ পৰিচৰ্য্যাবিলাকৰ বাবে প্ৰাৰ্থনা কৰক**

১। প্ৰাৰ্থনা সেৱা ঃ ২৪ ঘণ্টা
২। **বিব্লিকৰ** - বাইবেল সম্বন্ধীয় যোগাযোগ প্ৰশিক্ষণ ঃ
ইংৰাজী, হিন্দী আৰু তামিল।
৩। **তেওঁৰ আহবানৰ প্ৰতিধ্বনি** আলোচনী ঃ
ইংৰাজী, তামিল, মালায়ালম, তেলেগু, হিন্দী, কানাড়া, মাৰাঠী, গুজৰাটী, বেঙ্গলী, উৰিয়া, নেপালী, অসমীয়া, পঞ্জাৰী; উৰ্দু, সিংহালী আৰু আফ্ৰিকান।
৪। নহিমিয়া বাইবেল মহাবিদ্যালয় (দুটা শাখা)।
৫। ঈশ্বৰ বিষয়ক যোগাযোগৰ পাঠ্যক্ৰম ঃ ইংৰাজী আৰু তামিল।
৬। প্ৰধান আজ্ঞাৰ অংশীদাৰসকল
৭। প্ৰশিক্ষণ কাৰ্য্যসূচী।
৮। সভা।
৯। পত্ৰিকা পৰিচৰ্য্যা - স্থিৰভাৱে অনুসৰণ কৰা।
১০। শুভবাৰ্ত্তা মুদ্ৰণ - ছপাশালা প্ৰকাশ কৰা।
১১। চেইণ্ট পৌল মেট্ৰিকুলেশ্বন স্কুল - গ্ৰাম্য উচ্চ মাধ্যমিক বিদ্যালয়।

| | | |
|---|---|---|
| ১২। দেওবৰীয়া স্কুল | ঃ | পুৱা ৮.৩০, বিয়লি ৪.০০ দেওবাৰ |
| ১৩। তামিল উপাসনা | ঃ | পুৱা ৫.৩০,৭.০০ আৰু ১০.০০ দেওবাৰ |
| ১৪। মালায়ালম প্ৰাৰ্থনা সভা | ঃ | আবেলি ২.০০ দেওবাৰ |
| ১৫। তেলেগু উপাসনা | ঃ | আবেলি ৪.০০ দেওবাৰ |
| ১৬। হিন্দী উপাসনা | ঃ | আবেলি ৫.০০ দেওবাৰ |
| ১৭। ইংৰাজী আৰু তামিল সেৱা | ঃ | সন্ধ্যা ৬.০০ বজাত দেওবাৰ |
| ১৮। পালকসকলৰ পৰামৰ্শ | ঃ | আবেলি ৪.০০ বজাত দেওবাৰ |
| ১৯। মহিলাসকলৰ প্ৰাৰ্থনা সভা | ঃ | সন্ধ্যা ৫.৩০ বজাত বুধবাৰ |
| ২০। মধ্য সপ্তাহৰ বাইবেল অধ্যয়ন | ঃ | সন্ধ্যা ৬.৩০ বজাত বুধবাৰ |
| ২১। পুৰুষসকলৰ বিশেষ উপাসনা | ঃ | গধূলি ৭.০০ বজাত শুক্ৰবাৰ |
| ২২। কৰ্ম্মকৰ্ত্তা সকলৰ সভা | ঃ | সন্ধ্যা ৬.০০ বজাত শনিবাৰ |
| ২৩। গৃহ সভা | ঃ | সন্ধ্যা ৬.৩০ বজাত সোমবাৰ আৰু মঙ্গলবাৰ |
| ২৪। বিশেষ প্ৰভূ ভোজ | ঃ | পুৱা ৫.৩০ প্ৰত্যেক মাহৰ প্ৰথম দিনত |
| ২৫। পালকসকলৰ নিৰীক্ষণ সভা | ঃ | সন্ধ্যা ৫.৩০ প্ৰত্যেক মাহৰ প্ৰথম শনিবাৰ |
| ২৬। অভিভাৱক সকলৰ প্ৰাৰ্থনা সভা | ঃ | আবেলি ৪-০০ বজাত প্ৰথম দেওবাৰ |
| ২৭। নিশাৰ প্ৰাৰ্থনা | ঃ | গধুলি ৯.৩০ দ্বিতীয় শুক্ৰবাৰ |
| ২৮। উপবাস প্ৰাৰ্থনা | ঃ | পুৱা ৯.৩০ প্ৰথম শনিবাৰ |
| ২৯। প্ৰভূ ভোজ | ঃ | দ্বিতীয় দেওবাৰৰ উপাসনাত |
| ৩০। পুৱাৰ উপাসনা | ঃ | পুৱা ৫.৩০ বজাত দৈনিক |
| ৩১। কৰ্মচাৰী সকলৰ উপাসনা | ঃ | পুৱা ৯.০০ টা দৈনিক |
| ৩২। কাৰ্য্যালয় | ঃ | পুৱা ৯.০০ টাৰ পৰা ৰাতি ৯.০০লৈ (দেওবাৰৰ বাদে)। |

RNI NO. TNASS/2000/2335
Postal Regn. No. TN/CH/(C)/204/18-20
WPP NO. TN/PMG(CCR) / WPP- 262/18-20
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at “Egmore RMS / 1 Patrika Channel”
on 13th MAY 2019
If un-delivered please return to:
**ECHO OF HIS CALL (ASSAMESE)**
P.O. Box No. 2957,
Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766

***JESUS LOVES YOU!***

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from No.10, Mohammed Abdullah Street, Chepauk, Chennai-600 005 and printed by him at **Echo of His Call Printers** No. 10, Mohammed Abdullah Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**